খোতবা জুমা

ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) য়ে ২০১৮ চনৰ ২৭ এপ্ৰিলত মছজিদ বায়তুল ফুতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।

তাশ্বাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; কেইদিনমান আগত অর্থাৎ ১৩ এপ্ৰিল ২০১৮ চনত জমাতৰ এজন বুৰ্জগ আৰু বিদ্যান লোক মকৰ্ৰম ওচমান চীনি চাহাবৰ মৃত্যু হয়। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। আল্লাহ তায়লা তেখেতক চীনৰ এখন দুৰ্ণীবটীয়া অঞ্চলৰ পৰা সৌভাগ্য ক্ৰমে পাকিস্থানলৈ আহি আহমদীয়ত গ্ৰহন কৰাৰ তৌফিক দান কৰে। তেখেতৰ অৱস্থা, জীৱণ, খিদমত আৰু জীৱণ চৰিত্ৰ সম্পৰ্কে ইমানেই ঘটনা আছে যে সেয়া লিখিলে এখন কিতাপ হ'ব। এতিয়া মই সেই দৰবেশ সদৃশ মানুহ, বুজুর্গ, ওয়াকফে জিন্দেগী, মোবাল্লিগ ছিলছিলা আৰু ওলি আল্লাহৰ জীৱণ চৰিত সম্পৰ্কে দু-এষাৰ কবলৈ ওলাইছো। যি ওয়াকফে জিন্দেগী আৰু মোবাল্লেগীন সকলৰ বাবে অনুসৰণ কৰিবলগীয়া আদর্শ স্বৰূপ। সাধাৰণতে তেখেত সকলো আহমদীৰ মাজত উচমান চীনি নামেৰে পৰিচিত আছিল। তেখেতৰ সম্পূর্ণ নাম আছিল মহম্মদ উচমান চোচেংশি। ১৯২৫ চনৰ ১৩ ডিচেম্বৰত এখন মুছলামন পৰিয়ালত তেখেতৰ জন্ম হৈছিল। চীনৰ আঙ্খুয়ী ৰাজ্য হ'ল তেখেতৰ জন্মভূমি। হাই স্কুলৰ শিক্ষা সাংকৰি ১৯৪৬ চনত নান চেং বিশ্ববিদ্যালয়ত এবছৰ Advance Course সম্পাপ্ত কৰে। আকৌ নান চেং National Central University ৰ ৰাজনীতি বিভাগত অধ্যয়ন কৰিবলৈ আৰম্ভ কৰে। সাধাৰণতে তেখেতৰ ৰাজনীতিলৈ তেনে মনযোগ নাছিল সেয়ে আইন আৰু ধর্মীয় শিক্ষাৰ ফালে মন দিয়ে। প্ৰথমে তুৰ্কীলৈ গৈ শিক্ষা অর্জন কৰাৰ সিদ্ধান্ত লৈছিল কিন্তু ১৯৪৯ চনত এখেতে পাকিস্থানলৈ আহে। নিজে অনুসন্ধান কৰি এখেতে বয়াত গ্ৰহন কৰিছিল। তাৰ পিছত জামে আহমদীয়া (পাকিস্থানত) অধ্যয়ন কৰিবলৈ লয়। এপ্ৰিল ১৯৫৭ চনত উক্ত জামেয়াৰ পৰা শ্বাহাদাতুল-আজ্বনাব পৰীক্ষাত উত্তীর্ণ হয়। ১৯৫৯ চনত আগষ্ট মাহত তেখেতে ওয়াকফে কৰে। ১৯৬০ চনৰ জানুৱাৰী মাহত নিযুক্ত হয়। আকৌ মোবাল্লিগ পাচ কৰাৰ বাবে আকৌ ১৯৬১ চনত জামেয়া আহমদীয়াত ভর্ত্তি হয় আৰু ১৯৬৪ চনত শ্বাহিদ ডিগ্ৰি লয়। কৰাচী আৰু ৰাবোৱাত ওয়াকফে জিন্দেগী আৰু মুৰব্বী হিচাপে খিদমত কৰাৰ তৌফিক লাভ কৰে। ১৯৬৬ চনত ছিঙ্গাঁপুৰ আৰু মালয়েচিয়া লৈ যায়। প্ৰায় ছাৰে তিনি বছৰ কাল ছিঙ্গাঁপুৰ আৰু প্ৰায় চাৰিমাহ কাল মালয়েচিয়াত খিদমত কৰাৰ তৌফিক লাভ কৰে। ১৯৭০ চনত পাকিস্থানলৈ ঘুৰি আহে আৰু বিভিন্ন ঠাইত মুৰব্বী ছিলছিলাৰ দায়িত্ব পালন কৰে। হজ আৰু ওমৰা কৰাৰও তেখেতে সৌভাগ্য লাভ কৰিছিল। হজৰত খলিফাতুল মছিহ ৰাৰে (ৰহঃ) ৰ হিজৰতৰ পিছত লণ্ডনত বিভিন্ন জমাতী কার্য্যলয় স্থাপন কৰা হয় আৰু কামৰ পৰিসৰও বিস্তৃত হয় লগতে জমাতি লিটাৰেছাৰ সমুহ তৰজমা কৰাৰ প্ৰয়োজন হৈ পৰে। তেতিয়া চীনা ডেস্ক প্ৰতিষ্ঠা কৰা হয় আৰু তেতিয়া তেখেতক তালৈ মাতি পঠোৱা হয় এনেদৰে তেখেতে চীনা ভাষাত কিতাপৰ তৰজমা কৰিবলৈ লয়, ইয়াৰ মাজত চীনা ভাষাত কোৰাণ কৰিমৰ তৰজমা উল্লেখনীয়। জমাতি বিশ্বাস আৰু শিক্ষাৰ ওপৰত তেখেতে কিতাপও লিখি উলিয়াই।

মৃত্যুৰ সময়ত মৰহুম চাহাবে পত্নী আৰু এজন পুতেক আৰু দুজনী জীয়েক এৰি থৈ যায়। উচমান চীনি চাহাবে কৈছে যে, কোৰাণ কৰিমৰ চীনা ভাষাত হোৱা তৰজমা সম্পৰ্কে চীন আৰু আন আন দেশৰ উক্ত ভাষা-ভাষী সকলে বিভিন্ন বিবৃত্তি আগবঢ়াইছে যিবোৰৰ মাজত উক্ত তৰজমাক উত্তম তৰজমা হিচাপে স্থান দিছে। কৈছে জমাতৰ তৰজমা কোৰাণ অধিক গ্ৰহন যোগ্য গতিকে ইয়াৰ চাহিদা অনেক আৰু এই তৰজমা সকলোঽৰ উচ্চ মানদণ্ডৰ তৰজমা বুলি স্বীকাৰ কৰিছে।

উচমান চীনি চাহাবে নিজৰ অধীনত যি ছাইন্চ লিটাৰেছাৰ উলিয়াইছে তাৰে মাজত থকা সাত খন কিতাপ তেখেতে নিজে লিখিছে আৰু পয়ত্রিছ খন কিতাপ নিজে তৰজমা কৰি উলিৰাইছে।

পাৰিবাৰিক জীৱণ সম্পৰ্কে মৰহুমৰ পত্নীয়ে লিখিছে যে যেতিয়া পাকিস্থানৰ পৰা মোৰ বাবে উচমান চাহাবৰ সৈতে

নিকাহৰ প্ৰস্তাৱ আহে মোৰ দেউতায় সেই প্ৰস্তাৱ তেখেতৰ আৰু মোৰ বয়সৰ সামঞ্জস্য নথকাত নাকচও নকৰে বা সন্মতিও নিদিয়ে। কেই মাহলৈকে দেউতায় মোক এই প্ৰস্তাৱ সম্পৰ্কে নজনায়। অৱশেষত যেতিয়া দেউতাকে উক্ত প্ৰস্তাৱ সম্পৰ্কে জনায় তেতিয়া এখন পত্ৰ মোৰ সন্মুখত ৰাখি নিজকে সিদ্ধান্ত লবলৈ দিয়ে। তাই আৰু কয় যে, মই সপোনত দেখিছিলো যে মই বাহিৰৰ কোনোবা এখন দেশত এখন ডাঙৰ পথাৰত অকলে শূণ্য হাতেৰে থিয় হৈ আছো আৰু হঠাতে মই ভাবিৰলৈ ধৰিলো যে এতিয়া মোৰ কি অৱস্থা হ'ব তেতিয়া মই অলপ দুৰত বগা কাপোৰ পিন্ধা এজন মানুহক দেখা পালো আৰু এটা শব্দ শুনা পালো যে তোমাৰ সকলো প্ৰয়োজন এই ব্যক্তিজনৰ জৰিয়তে পূৰ্ণ কৰা হ'ব। তাই কয় যে মই, এই পত্ৰ দেখাৰ পিছত উচমান চাহাবক সপোনত দেখিলো যে তেখেতে বগা কাপোৰ পিন্ধি মোৰ ওচৰত থিয় দি আছে। তাৰ পিছত যেতিয়া মোক উচমান চাহাবৰ ফটো দেখুৱা হ'ল তেতিয়া অনুমান হ'ল যে এই জনেই সেই ব্যক্তি যাক মই সপোনত দেখিছিলো আৰু এনেদৰে মই নিকাহৰ প্ৰস্তাৱ গ্ৰহন কৰিছিলো।

মৰহুমৰ উচমান চাহাবৰ বিষয়ে তেখেতৰ পত্নীয়ে লিখিছে যে, তেখেত এজন বৰ ভাল পতি আছিল আৰু মোৰ বাবে এজন আধ্যাত্মিক গুৰু আছিল। মই যেতিয়া পাকিস্থানলৈ আহিছিলো তেখেতে মোক সৰ্ব প্ৰথমে নমাজ পঢ়া শিকাইছিল। মছজিদত নমাজ পঢ়োৱাৰ পিছত ঘৰত আহি মোক বাজমাত নমাজ পঢ়াইছিল। তেখেতে মোক শব্দ পিছত শব্দ, বাক্যৰ পিছত বাক্য শিকাই গৈছিল আৰু উপদেশ দিছিল যে এয়া বাৰে বাৰে আওৰাই থাকা আৰু যদি পাহৰি যোৱা তেন্তে দোৱা কৰিবা। তেখেতে মোক ছমাহৰ ভিতৰত কায়দা পঢ়া শিকাইছিল। তেখেতে মোক কোৰাণ পঢ়া শিকাবলৈ আৰম্ভ কৰিলে লগতে তৰজমাও শিকাব ধৰিলে যাতে মোৰ মনযোগ আকৰ্ষিত হয়। বৰ ধৈৰ্য্যশীল আছিল তেখেত। তেখেত আছিল বৰ দয়ালু। তেখেতে নিজৰ মাক চীনৰ পৰা পাকিস্থানলৈ লৈ আনিছিল আৰু বৰ খিদমত কৰিছিল। তেখে গোটেই জীৱণ নিজৰ কামৰ সৈতে ব্যাস্ত থাকিছিল। শৰীৰ ভালে থাকিলে ৰাতিও বহু দেৰিলৈ নিজৰ অফিচত কাম কৰি থাকিছিল এনেকি কেতিয়াবা ৰাতি পুৱাই গৈছিল। ঘৰত তেখেতৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাম আছিল ল'ৰা-ছোৱালীক তৰবিয়ত কৰা। বাকী সৰু-সুৰা কামলৈ মন দিয়া নাছিল। পিন্ধন-উৰণত বৰ সাধাৰণ আছিল।

তেখেতৰ ডাঙৰ জীয়েক ডক্টৰ কুৰ্ৰাতুল আয়েন লিখিছে যে মোৰ দেউতাকৰ কিছুমান বৈশিষ্ট শব্দৰে লিখাটো মোৰ বাবে বৰ জটিল। তেখেত বৰ দয়ালু, সহানুভুতিশীল, পৰিশ্ৰমী, ভাল ধাৰণা ৰখা নম্ৰ মানুহ আছিল। সকলো বিষয়তে আমি সকলো ভাই ভনী আৰু জোৱায়েক সকলক একেলগে কথা বতৰাত অংশ লবলৈ শিক্ষা দিছিল। আমাৰ স্কুলৰ লিখা পঢ়া সম্পৰ্কে মন দিছিল। শিক্ষক সকলৰ আচাৰ-আচৰণ বৰ লক্ষ্য কৰিছিল যে শিক্ষক সকলে কি কয়। আমাক চাইনিজ সকলক তবলিগ কৰিবলৈ উপদেশ দিছিল। আমাক উপদেশ দিছিল যে আধ্যাত্মিকতা, বিদ্যা আৰু চৰিত্ৰৰ দিশত উন্নতি কৰি যোৱা। লগতে এয়া কৈছিল যে তোমালোকৰ ব্যক্তিত্ব, আমল আৰু আচৰণ চাই মানুহৰ এয়া উপলব্দি হোৱা উচিত যে খোদা তায়লাৰ অস্তিত্ব নিশ্চয় আছে কাৰণ যিবিলাক ল'ৰা-ছোৱালীয়ে খোদা তায়লাৰ ওপৰত বিশ্বাস ৰাখে সেই বিলাক ল'ৰা-ছোৱালী খোদা অবিশ্বাসী সকলতকৈ বহুত ভাল। এয়াও উপদেশ দিছিল যে তোমালোকৰ সকলো কাম নিয়মিত হোৱা উচিত। আমাক কেতিয়াও ধমকি দিয়া নাছিল। সদায় মৰম, চেনেহৰে বুজাইছিল। কেতিয়াবা কঠোৰ আচৰণ কৰিছিল যদি সেয়া নমাজৰ বিষয়ে কৰিছিল। ছুটিৰ সময়ত আমাক কোনো নহয় কোনো এটা কিতাপ পঢ়িবলৈ দিছিল। তেখেতে এবাৰ কিচতি নুহ কিতাপৰ এখন পুৰণি কপি পঢ়িবলৈ দি কৈছিল যে এয়া কিচতি নুহৰ প্ৰথম কিতাপ যি তেখেতে জামেয়া আহমদীয়াত পঢ়িছিল। তেখেতে সদায় কৈছিল তোমালোকে চন্দ্ৰক হাততে লোৱাৰ চেষ্টা কৰিব লাগিব। এনেদৰে চন্দ্ৰ যদিও নোপোৱা তৰা নিশ্চয় পাই যাবা। অৰ্থাৎ উচ্চাঙ্খাকা সদায় মনত ৰাখিবা আৰু পাঁচ ওয়াক্ত নমাজৰ সৈতে তাহাজ্জুদ পঢ়াৰ শিক্ষা দিছিল। পানী ছটিয়াই ফজৰ নমাজৰ বাবে জগাই দিছিল। হজৰত মছিহ মাওউদ (আঃ) আৰু খলিফা সকলৰ কিতাপ পঢ়িবলৈ কৈছিল আৰু বৰ ধৈৰ্য্যৰ সৈতে আমাৰ প্ৰশ্নৰ উত্তৰ দিছিল। সদায় এয়া কৈছিল যে আল্লাহ তায়লা যি দক্ষতা দিছে সেয়া কামত লগোৱা আৰু যি আমল কৰা সেয়া খোদা তায়লাৰ ইবাদতৰ নিয়তেৰে কৰা উচিত। আধ্যাত্মিক উন্নতি সম্পৰ্কে কৈছে যে এয়া খট-খটিৰ দৰে, কেতিয়াবা ওপৰলৈ উঠি যোৱাৰ সুবিধা পোৱা যায়। তেখেতে আমাক সাধাৰণ, নম্ৰ আৰু আনক নিজৰ ওপৰত প্ৰাধান্য দিবলৈ শিকাইছিল। মৰহুমৰ পুত্ৰ ডক্টৰ দাউদ চাহাব কয় যে তেখেতে মোক কৈছে যে জামিয়াত অধ্যয়ন কৰি থকা অৱস্থাত তেখেতৰ

দেউতা আৰু ভাইয়েকৰ মৃত্যুৰ টেলিগ্ৰাম আহে তেতিয়া তেখেতৰ পৰীক্ষা চলি আছিল। তেতিয়া তেখেতে ভাৰিছিল যে এয়া জামেয়াৰ পৰীক্ষাৰ দৰেই আল্লাহ তায়লাৰ ফালৰ পৰা এটা পৰীক্ষা কিন্তু হৃদয় বিদাৰক খবৰ। এয়া ভাৰি তেখেতে সময়মতে পৰীক্ষা চলাই গৈছিল।

তেখেতৰ ল'ৰা দাউদ চাহাবে লিখিছে যে চাইনিজ সকলক তবলিগ কৰাত বৰ উৎসাহী আছিল। যিকোনো ফাংচন আদিত গলে তাত লোকক আহমদীয়তৰ সৈতে পৰিচয় কৰাই দিছিল। আকৌ কয় যে মই সৰুতে কেতিয়াবা কেতিয়াবা তেখেতৰ অফিচলৈ গৈছিলো আৰু কলম পেঞ্চিল আদি লোৱাৰ চেষ্টা কৰিছিলো কিন্তু অফিচত ৰাখি থোৱা কলম আদি ব্যাৱহাৰ কৰিব দিয়া নাছিল। মোৰ মাকক কৈছিল যে, মোৰ বাবে যেন কলম কিনে আৰু ফটোকপি কৰিবলৈ হলে ঘৰৰ পৰা কাগজ লৈ যাওঁ আৰু মিচন অফিচত ফটো কপি কৰো। খোদা তায়লাৰ গুণবাচক নাম মুখস্থ কৰিবলৈ কৈছিল। তেখেতে চাইনিজ ভাষাত নজম লিখিছিল যাৰ মাজত আল্লাহ তায়লাৰ একা গুণবাচক নামৰ পৰিচয় বৰ্ণনা কৰিছিল। খেল খেলা হিচাপে আমাৰ ভাই ভনী সকলৰ মাজত আল্লাহ তায়লাৰ গুণবাচক নাম মুখস্থ কোৱাৰ প্ৰতিযোগীতা পাতি বঁটাও দিছিল।

আগাছিফ উল্লাহ চাহাব লিখিছে (মৰহুমৰ ক্লাচৰ লগৰীয়া) যে উচমান চাহাব ডেকা কালত হাঁহিমুখ, মুক্তাকী আৰু নেক স্বভাৱৰ লোক আছিল। বৰ চিন্তা মগ্ন হৈ নমাজ পঢ়ি বৰ আকুতিৰে দোৱা কৰিছিল। নফল ৰোজা, নমাজ, তছবিহ, জিকৰে ইলাহিত বৰ মনযোগ ৰাখিছিল। আহমদীয়তৰ নিয়ামত লাভ কৰাৰ পিছত বৰ প্ৰশংসা মুখৰ হৈ সদায় মৰম, একাগ্ৰতা আৰু আগ্ৰহ দেখুৱাইছিল। কয় যে মই ছাত্ৰ অৱস্থাত হজৰত মৌলবী গোলাম ৰছুল চাহাব ৰাজেকী, হজৰত মৌলবী আব্দুল হুছেন চাহাব, আৰু আন আন বুজুৰ্গ ব্যক্তি সকলৰ ওচৰত বহাৰ আৰু দোৱাৰ দৰখস্থ কৰাৰ আৰু সেয়া কবুল হোৱাৰ নিদৰ্শন দেখিবলৈ পাইছো। মই স্পষ্ট সাক্ষী দিব পাৰো যে ইবাদতত মগ্নতা, দোৱাৰ মাজত কৰুণতা আৰু দোৱা কবুল হোৱাৰ ক্ষেত্ৰত উক্ত বুজুৰ্গ সকলৰ দৰেই উচমান চাহাবৰ ব্যক্তিত্বত একেই চিত্ৰ আছিল। মই নিজে কেইবা বাৰ তাৰ নিজা বিষয়ত দোৱা কবুল হোৱাৰ বিষয়টো উপলব্দি কৰিছো। তেখেত ডাঙৰ বুজুৰ্গ আৰু মোমিন লোক আছিল। জমাতি ব্যাৱস্থাপনাৰ ক্ষেত্ৰত সিদ্ধান্ত প্ৰকাশত বৰ সতৰ্ক আছিল। তেখেতে নিজে নিজামে জমাতৰ সন্মান আৰু আনুগত্য কৰিছিল আৰু নিজৰ বন্ধু সকলক লগতে বেলেগকও এই শিক্ষা দিছিল। খিলাফতৰ ওপৰত পূৰ্ণ আধ্যাত্মিক বিশ্বাস ৰাখিছিল। যেতিয়া কোনোবাই তেখেতক দোৱাৰ আবেদন কৰিছিল, তেখেত সুধিছিল যে খলিফা ওয়াক্তলৈ দোৱাৰ আবেদন কৰিছেনে ?

ৰশিদ আৰশাদ চাহাবে কয় যে ৩৩ বছৰ মই তেখেতৰ লগত কাম কৰাৰ সুযোগ পাইছো, তেখেতৰ বাজমাত নমাজৰ নিয়ানুবর্তিতা আৰু ইবাদতৰ প্ৰতি মনযোগ আমাৰ বাবে আদৰ্শ স্বৰূপ আছিল। ধুমুহা, বৰষুণ, শিলাবৃষ্টি গৈছিল। তবলিগলৈ তেখেতৰ বৰ আগ্ৰহ আছিল। সাধাৰণতে কথা কম কৈছিল কিন্তু যেতিয়া তবলিগ আৰম্ভ কৰিছিল, তেখেতৰ ভিতৰত অ-সাধাৰণ দক্ষতা আৰু আবেগৰ জন্ম হৈছিল আৰু ঘণ্টাৰ পিছত ঘণ্টা জুৰি কথা পাতি থাকিছিল।

নাছিৰ আহমদ বদৰ চাহাবে (মুৰব্বী ছিলছিলা) লিখিছে যে চীনা ভাষাৰ যি লিটাৰেছাৰ তেখেতে যুগুতাই থৈ গৈছে সেয়াই তেখেতক কেতিয়াও মৰিব নিদিয়ে। তেখেতৰ কলমৰ দ্বাৰা লিপিবদ চীনা ভাষাত বিছখন মান কিতাপ আৰু তৰজমা আছে, যি বিলাক তেখেতে হজৰত মছিহ মাওউদ (আঃ) ৰ ৰুহানী খাজায়েনৰ পৰা লিপিবদ্ধ কৰিছে আৰু তৰজমা কৰি লোকৰ হাতলৈ দিছে।

উচমান চাহাবৰ চীনা ভাষাত সম্পাদিত কোৰাণ কৰিমৰ তৰজমা সকলোৱে পোৱা অতি সহজ শব্দৰ এখন তৰজমা, য'ত চীনা ভাষাৰ মানদন্ড আৰু ঐতিহৎ জকমকাই থকা দেখিবলৈ পোৱা যায়। সেই কাৰণেই চীনা ভাষাত কোৰাণ কৰিমৰ বেলেগ বেলেগ তৰজমা থকা সত্বেও উচমান চাহাবৰ তৰজমাতুল কোৰাণ চীনত সকলোৰে সমদৃত। সেয়ে চীনৰ উলামা সকলে জমাতৰ বিৰুধীতা কৰা সত্বেও এই তৰজমা পছন্দনীয় দৃষ্টিৰে দেখি থাকে।

জাফৰ উল্লাহ চাহাবে কৈছে যে ইছলামাবাদ আৰু ৰাবোৱা ভ্ৰমনৰ সময়ত মোক কলৰকহাৰ অঞ্চলটো দেখুৱায় য'ত মৰহুম উচমান চাহাবে জামেয়াত অধ্যয়নৰত অৱস্থাত চিল্লা (ধৰ্মী যাত্ৰা) কৰিছিল। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে মোৰ মনত আছে; হজৰত খলিফাতুল মছিহ তৃতীয়ৰ যুগত, মই সৰু আছিলো, মইও এবাৰ সেই ঠাইলৈ গৈ দেখিছিলো যে এখন কোঠাইলিৰ তলত সৰু আন এখন কোঠালিত মৰহুম উচমান চাহাব হাতত কোৰাণ কৰিম লৈ আছে আৰু দোৱা কৰি আছে।

তেতিয়া আমি সৰু ডাঙৰ সকলোৱে তেখেতক দোৱা কৰিবলৈ কওঁ। তেতিয়া তেখেতে মিচিকিয়া হাঁহিৰে উত্তৰ দিছিল আৰু চেনেহপূৰ্ণ আচৰণ কৰিছিল।

ডক্টৰ নূৰী চাহাবে লিখিছে যে; চৈধ্য পোন্ধৰ বছৰ আগত তেখেতৰ হৃদৰোগ থকা বুলি প্ৰমাণিত হৈছিল। ২০০৪ চনত মই যেতিয়া তেখেতক চ্যাক আপ কৰিছিলো, মই আচৰিত হৈছিলো যে এনেকুৱা ৰোগী জীয়াই থকাৰ চান্স খুব কম। মই বৰ আচৰিত যে; তেখেতে কেতিয়াও নিজৰ বেমাৰক নিজৰ দায়িত্ব পালনত ব্যাঘাত জন্মাব দিয়া নাছিল। আতাউল মুজিব ৰাশিদ চাহাবে লিখিছে যে তেখেত বৰ দোৱা কৰোঁতা আৰু দোৱা হওঁতা বুজুৰ্গ আছিল। নমাজ পঢ়োতা, বেমাৰ আৰু দুৰ্বল হোৱা সত্বেও মছজিদ লৈ যাওঁতা বহুত নেক আৰু খোদা ভীৰু আৰু অক্লান্ত লোক আছিল। সকলোৰে মঙ্গল কামনা কৰিছিল আৰু সজ পৰামৰ্শ দিছিল আৰু বৰ অতিথি পৰায়ন আছিল। দুৰ্বলতা থকা সত্বেও একাগ্ৰতা আৰু পৰিশ্ৰমেৰে পালন কৰিছিল। দ্বীনৰ খিদমত কৰি যোৱা হাঁহিমুখেৰে মানুহৰ লগত মিলিছিল।

আল্লাহ তায়লা মকৰ্ৰম উচমান চীনি চাহাবৰ মৰ্যদা উন্নীত কৰক। তেখেতৰ পত্নী আৰু সতি সন্ততিক ধৈৰ্য্য দান কৰক। এনেদৰে তেখেতৰ পৰিয়াল বৰ্গৰ তেখেতৰ দোৱা আৰু নেকিৰ অংশীদাৰ বনাওঁক। সকলোকে তেখেতৰ অনুকৰণত চলাৰ তৌফিক দান কৰক। হুযুৰ আনোৱাৰ (আইঃ) য়ে নমাজে জুমাৰ পিছত তেখতৰ নামাজে জানাজা পঢ়াৰ ঘোষণা কৰে।

****

Assamese Khulasa Khutba Jumma Huzoor Anwar 27 April 2018

BOOK POST (PRINTED MATTER)

To

From: Office of the Ahmadiyya Muslim Jama'at, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737